জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৭৭/২০২০

## মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ২২০ টা ধান বনা কল স্থাপন আৰু উন্নীতকৰণৰ অনুমোদন পত্ৰ বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# আত্মনিৰ্ভৰশীল অসমৰ বাবে ৰাজ্য চৰকাৰে এক বিস্তৃত ৰোডমেপ প্ৰস্তুত কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩১ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৰাজ্যখনৰ নিৰ্বাচিত হিতাধিকাৰীসকলৰ মাজত ২২০ টা ধান বনা কল স্থাপন আৰু উন্নীতকৰণৰ অনুমোদন পত্ৰ বিতৰণ কাৰ্যৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ সৃষ্ট পৰিস্থিতিয়ে ৰাজ্যখনৰ সমাজ-অৰ্থনীতিত পেলোৱা ভয়ংকৰ প্ৰভাৱৰ সমান্তৰালভাৱে ই ৰাজ্যৰ সম্পদ আৰু সম্ভাৱনাসমূহক নতুনকৈ আৱিষ্কাৰ কৰাৰো এক বিৰল সুযোগ প্ৰদান কৰিলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'আত্মনিৰ্ভৰশীল ভাৰত'ৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ অসম চৰকাৰেও ৰাজ্যখনৰ মূল্যৱান সম্পদৰাজিৰ উপযুক্ত ব্যৱহাৰেৰে ৰাজ্যখনক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে এক বিস্তৃত ৰোডমেপ প্ৰস্তুত কৰিছে। আজি অনুমোদন পত্ৰ বিতৰণ কৰা এই ২২০ টা ধান বনা কল স্থাপনৰ ফলত ৰাজ্যখনৰ ধান খেতিয়কসকলে নিজৰ উৎপাদিত শস্যৰ উপযুক্ত মূল্য লাভৰ ক্ষেত্ৰত প্ৰভূতভাৱে উপকৃত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই ব্যৱস্থাই ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ লগতে নতুন প্ৰজন্মক কৃষিক্ষেত্ৰৰ প্ৰতি আগ্ৰহী কৰি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ পূৰ্বপুৰুষসকলে ৰাজ্যখনৰ কৃষিভিত্তিক অৰ্থনীতিৰ এক সবল ভেটি নিৰ্মাণ কৰি থৈ গৈছে। ৰাজ্যৰ কৃষি খণ্ডৰ সৰ্বাত্মক উন্নয়ন সাধনৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপে এই ভেটিক অধিক সুদৃঢ় কৰি আগুৱাই যোৱাৰ পথ প্ৰশস্ত কৰিছে। উত্তৰ-পূৰ্বাঞ্চলক দেশৰ জৈৱিক কৃষিৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰদান কৰা গুৰুত্বৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ কৃষকসকলৰ মাজত সম্প্ৰতি জৈৱিক কৃষিৰ জনপ্ৰিয়তা দিনকদিনে বৃদ্ধি পাইছে। অসম চৰকাৰে সেয়েহে এই খণ্ডটোৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। কৃষকৰ উৎপাদিত সামগ্ৰীয়ে যাতে উপযুক্ত বজাৰ লাভ কৰে আৰু কৃষকে যাতে নিজৰ কষ্টৰ উপযুক্ত মূল্য লাভ কৰিবলৈ সক্ষম হয় সেয়া নিশ্চিত কৰাৰ বাবে চৰকাৰে উৎপাদন, ক্ৰয় আৰু বিপণনৰ শৃংখল সুদৃঢ় কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে।

ৰাজ্যৰ পৰম্পৰাগত কৃষি পদ্ধতিৰ সলনি বিজ্ঞান আৰু প্ৰযুক্তিৰ উপযুক্ত ব্যৱহাৰেৰে অধিক উৎপাদনক্ষম বিজ্ঞানসন্মত কৃষি পদ্ধতি প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ

নতুন প্ৰজন্মই কৃষিক এক মৰ্যাদাসম্পন্ন বৃত্তি হিচাপে গ্ৰহণ কৰিলে ৰাজ্যখন অচিৰেই কৃষি উৎপাদনৰ দিশত দেশৰ এক অন্যতম আগশাৰীৰ ৰাজ্য হিচাপে পৰিচিত হ'বলৈ সক্ষম হ'ব।

উল্লেখ্যযোগ্য যে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত এএচিপিএমএছ-ৰ অৰ্থ সাহায্যৰে হাতত লোৱা এই আঁচনিয়ে ৰাজ্যৰ কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ লগতে উদ্যোগী আৰু যুৱক-যুৱতীসকলক খাদ্য সংসাধন খণ্ডত আত্মনিয়োগ কৰাৰ দিশত অধিক উৎসাহ যোগাব। আজি অনুমোদন পত্ৰ বিতৰণ কৰা ২২০ টা মিলৰ ভিতৰত প্ৰতি ঘণ্টাত ১ টন চাউল প্ৰস্তুত কৰিব পৰা ১০০ টা নতুন মিল, প্ৰতি ঘণ্টাত ২ টন ধান বানিব পৰা ৭০ টা নতুন মিল আৰু বৰ্তমানে থকা প্ৰতিঘণ্টাত ১ টন ক্ষমতা সম্পন্ন ৫০ টা নতুন মিলক উন্নীতকৰণৰ বাবে এই পদক্ষেপ লোৱা হৈছে। ইয়াৰ বাবে প্ৰতিঘণ্টাত ১ টন উৎপাদনক্ষম ধান বনা কলৰ ক্ষেত্ৰত ১০ লাখ ৰাজসাহায্য, প্ৰতিঘণ্টাত ২ টন ক্ষমতাসম্পন্ন ধান বনা কলৰ বাবে ১৫ লাখ টকা ৰাজসাহায্য আৰু উন্নীতকৰণৰ বাবে লোৱা মিলৰ ক্ষেত্ৰত ৫ লাখ টকাৰ ৰাজসাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

ৰাজ্যৰ খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰীয়েও বক্তব্য আগবঢ়োৱা এই অনুষ্ঠানত জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, কৃষি বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদকে ধৰি কৃষি বিভাগৰ উচ্চপদস্থ বিষয়বীয়াসকল তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহু কেইগৰাকী প্ৰগতিশীল কৃষক উপস্থিত থাকে।

**সুঃদঃ / প্ৰঃকুঃবঃ / পুঃডেঃ**

**৩১/০৮/২০২০**